ভাৰতবৰ্ষ : বিশ্ব স্তনপান সপ্তাহ (১–৭ আগষ্ট, ২০২০)

# সমৰ্থিত স্তনপানত বিশোধিত জগত

## স্তনপান শক্তিশালী কৰিবলৈ কোভিদ–১৯ সুবৰ্ণ সুযোগ



## বিশ্ব স্তনপান সপ্তাহ, ২০২০ ৰ লক্ষ্যসমুহ :

১। আমাৰ চাৰিওফালৰ পৰিবেশত স্তনপানৰ বিকল্প গাখীৰ আৰু খাদ্য সামগ্ৰী সমুহৰ পৰা হব পৰা বিৰূপ প্ৰভাবৰ বিষয়ে আৰু স্তনপানে পৰিবেশ সুৰক্ষাত যোগোৱা বৰঙণিৰ বিষয়ে ৰাইজৰ মাজত সজাগতা বৃদ্ধি আৰু কাম কৰা ।

২। স্তনপানৰ সুৰক্ষা, বৃদ্ধি আৰু সহযোগ, বিশেষকৈ স্তনপানৰ বিকল্প গাখীৰ আৰু খাদ্য সামগ্ৰী সমুহ, বটলেৰে গাখীৰ খুওৱা তথা কেচুৱা বিকল্প গাখীৰ আৰু খাদ্যৰ (উৎপাদন, যোগান আৰু বিতৰণ নিয়মাৱলী)ৰ [আই এম এচ আইন] ১৯৯২ আৰু সংশোধিত আইন ২০০৩ কাৰ্যকৰীকৰণত বিভিন্ন ৰাজ্যৰ সংগঠন সমুহক অংশ গ্ৰহণ কৰোৱা।

# ভূমিকা

বিশ্ব স্বাস্থ্য সংস্থা (WHO)ই কেচুৱা আৰু দুবছৰলৈ শিশুৰ স্বাস্থ্যসন্মত সুষম আহাৰৰ পৰামৰ্শ দিছে; সেই অনুযায়ী জন্মৰ পৰা কেবল মাত্ৰ বুকুৰ গাখীৰেৰে ছয় মাহ পূৰ হোৱালৈ কেচুৱা লালন-পালন কৰা আৰু ছমাহৰ পিচত বয়স অনুযায়ী দিব লগা অইন নিৰাপদ আৰু পুষ্টিসম্পন্ন পৰ্যাপ্ত আহাৰৰ লগতে ছমাহৰ পৰা অন্ততঃ দুবছৰীয়া হোৱালৈ অথবা তাৰ পিচতো মাকৰ বুকুৰ গাখীৰ খুৱাই থকা । বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ মতে "জীৱনৰ প্ৰথম দুবছৰতে লাভ কৰা পুষ্টিয়ে শিশুৰ শৰীৰ স্বাস্থ্যবান আৰু মনৰ বৌদ্ধিক বৃদ্ধি আৰু বিকাশ ঘটায়। স্তনপানে পিচৰ জীৱনত মেদবহুলতা আৰু বিভিন্ন অসংক্ৰামক ৰোগৰ পাদুৰ্ভাৱৰ পৰাও ৰক্ষা কৰে।" বুকুৰ গাখীৰ খুওৱাটো আকৌ বহনক্ষম পৰিবেশ তথা জলবায়ু সন্মত ব্যৱস্থা, কাৰণ স্তনপানে কমি অহা প্ৰাকৃতিক সম্পদ অথবা কেচামাল ব্যৱহাৰ নকৰে। ওলোটাকৈ স্তনপানে পৰিবেশক সুৰক্ষাহে দিয়ে আৰু আৱৰ্জনা উৎপন্ন নকৰি প্ৰদূষণ কমায়হে। যোৱা কেইটামান বছৰত কেচুৱা আৰু জগতৰ ওপৰত স্তনপানৰ প্ৰভাব সম্পৰ্কে যথেষ্ঠ বৈজ্ঞানিক তথ্য আমাৰ মাজলৈ আহিছে। মাতৃদুগ্ধৰ বিকল্প খাদ্য প্ৰস্তুতকৰণ, পেকেজিং, বিতৰণ, বিক্ৰী আৰু ব্যৱহাৰৰ সময়ত যথেষ্ট পৰিমাণে জীৱ আৰু জড় উভয় জগতলৈ হানিকাৰক "গ্ৰীণ হাউছ গেচ" নিৰ্গমণ হয়। কাৰখানাত মাতৃদুগ্ধৰ বিকল্প উৎপাদন কৰা খাদ্য প্ৰস্তুতকাৰী উদ্যোগ সমুহে জলবায়ু অনিষ্ট সাধনত যথেষ্ট পৰিমাণে বৰঙণি যোগায়। এনে সামগ্ৰী ব্যৱহাৰৰ ফলত বটল, নিপোল, টিনৰ টেমা, বিভিন্ন প্ৰচাৰ সামগ্ৰী সমুহ আদি কল্পনাতীত আৱৰ্জনাৰ উৎস হৈ পৰে। মাতৃস্তনপানৰ বহুতো উপকাৰ আৰু মাতৃদুগ্ধৰ বিকল্প সামগ্ৰীৰ অসুবিধাবোৰ জ্ঞাত হৈ থাকোতেও কিন্তু শিশুৰ গুড়ি গাখীৰ বিক্ৰী দ্ৰুতহাৰত বৃদ্ধি হৈ আছে। এনে হোৱাৰ মুল কাৰণ স্তনপান বৃদ্ধিৰ বাবে কৰা নিয়ম আৰু আচনিবোৰৰ সোলোক-ঢোলোক ৰূপায়ণ। বাণিজ্যিক মাতৃদুগ্ধৰ বিকল্প খাদ্য সমুহৰ বিক্ৰী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ যথেষ্ট পিচপৰি আছে। মাতৃদুগ্ধৰ বিকল্প সামগ্ৰী নিয়ন্তণ সম্পৰ্কীয় অলপতে প্ৰকাশিত এক গোলকীয় সমীক্ষাত দেখা গৈছে যে ১৯৪ খন দেশৰ মাথো ২৫ খন দেশতহে এনে আইন প্ৰণয়ন হৈছে। ২০১৮ চনত মাতৃদুগ্ধৰ বিকল্প সামগ্ৰী বিক্ৰী সমগ্ৰ বিশ্বত ৬১.২ বিলিয়ন আমেৰিকান ডলাৰ (প্ৰায় ৩৭০ কোটি ২৬ লাখ টকা) আৰু

**ভাৰতবৰ্ষত ২০১৬ চনত**
**মাতৃদুগ্ধৰ বিকল্প সামগ্ৰী বিক্ৰী**
**২৬,৯০০ টন**
**২০২১ চনত হবগৈ**
**৩০,৭০০ টন**
**(বছৰি ১৪% বৃদ্ধি হৈ)**

অন্ততঃ ২০২৫ চনলৈ প্ৰতি বছৰে এই বিক্ৰীৰ হাৰ ১০% কৈ বৃদ্ধি হব। ২০২৫ চনত এনে বিক্ৰী হব ১১৯ বিলিয়ন আমেৰিকান ডলাৰ (প্ৰায় ৭১৯ কোটি ৯৫ লাখ টকা)। ভাৰতবৰ্ষত ২০১৬ চনত এনে সামগ্ৰী বিক্ৰী হৈছিল ২৬,৯০০ টন আৰু ২০২১ চনত বছৰি ১৪% বৃদ্ধি হৈ ৩০,৭০০ টন হবগৈ। ইউৰোপৰ সমীক্ষা মতে জন্মৰ পৰা ছয় মাহৰ কেচুৱাৰ বাবে প্ৰস্তুত কৰা বিকল্প গাখীৰৰ বিক্ৰী ২০১৬ চনত ১২,০০০ টন। ভাৰতত স্তনপানৰ হাৰ উন্নত কৰাৰ কাৰণে তৎকালীণ ব্যৱস্থা লোৱা অত্যন্ত জৰুৰী হৈ পৰিছে কাৰণ জন্মৰ এঘন্টাৰ ভিতৰত মাতৃদুগ্ধ খুওৱাৰ হাৰ ভাৰতত ৫৭% আৰু ছয়মাহ বয়সলৈ কেবল মাত্ৰ মাতৃদুগ্ধৰে লালন-পালন কৰা কেচুৱাৰ হাৰ ভাৰতত প্ৰায় ৫৮%।[১২]

মাতৃদুগ্ধৰ বিকল্প খাদ্য সামগ্ৰীৰ কাৰণে প্ৰয়োজন হোৱা আনুষঙ্গিক সমগ্ৰী সমুহ প্ৰস্তুত কৰোতে আকৌ অতিৰিক্তকৈ গ্ৰীণ হাউচ গেচ উৎপন্ন হয় যিবোৰে আমাৰ ধৰণীৰ ওপৰত অতিৰিক্ত বোজা জাপি দিয়ে - -

- পেকিং কৰিবলৈ প্ৰয়োজন হোৱা টিন/ডাঠ কাগজ
- বটল আৰু নিপোলৰ কাৰণে লগা প্লাষ্টিক
- বজাৰলৈ উলিয়াই দিব লগা লেবেল আৰু সেইবোৰৰ মুদ্ৰণ
- নিৰ্বীজকৰণৰ বাবে ষ্টেৰিলাইজাৰ আদিৰ প্ৰস্তুতকৰণ

*প্ৰসংঙ্গ :* Formula for Disaster[4]

## শিশুৰ বাবে বিকল্প গাখীৰ বা খাদ্যৰ পৰা হব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ কেনেদৰে নিৰূপণ কৰো

মাতৃদুগ্ধৰ বিকল্প গাখীৰ সমূহ ব্যৱহাৰৰ ফলত পৰিবেশৰ ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ধাৰণৰ বাবে খুব বেচি গবেষণা পত্ৰ পাবলৈ কঠিন। বিপিএনআই Breastfeeding Promotion Network of India(BPNI) আৰু ইবফান International Baby Food Action Network(IBFAN) য়ে বিশ্বৰ আগশাৰীৰ বিশেষজ্ঞ সকলৰ লগত লগ হৈ বিভিন্ন শিশু খাদ্যৰ ফৰ্মূলাৰ পৰা ওলাব পৰা "গ্ৰীণ হাউচ গেচ"ৰ পৰিমাণ নিৰ্ধাৰণ কৰা এক পদ্ধতি উলিয়াইছে। এই পদ্ধতিটিত শিশুৰ বাবে প্ৰস্তুত কৰা বিকল্প গাখীৰ আৰু খাদ্যৰ প্ৰতিটো উপাদানৰ পৰা "গ্ৰীণ হাউচ গেচ"ৰ পৰিমাণ হিচাব কৰি উলিয়াইছে। এই পদ্ধতিৰে ভাৰতবৰ্ষত ২০১৬ চনত নিৰ্গত হোৱা "গ্ৰীণ হাউচ গেচ" ৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছে; আৰু সেই হিচাবত ২০২১ চনত নিৰ্গত হব লগা গেচৰ পৰিমানৰ আগজাননী দিছে। (চিত্ৰ নং ১ আৰু ২)। অন্য এটা গবেষণাত ৪ খন শিশুৰ বাবে বিকল্প খাদ্য উৎপাদন কৰা আৰু ৪ খন প্ৰধানকৈ তেনে বিকল্প খাদ্য ব্যৱহাৰ কৰা দেশৰ পৰিবেশলৈ কাৰ্বন নিৰ্গত হোৱাৰ পৰিমাণো নিৰ্ধাৰণ কৰা হৈছে। শিশুৰ বিকল্প খাদ্য ব্যৱহাৰ কৰা দেশতকৈ স্তনপান কৰোৱা দেশত কাৰ্বনৰ নিৰ্গমণ যে অধিক সেয়া আকৌ প্ৰমাণিত হৈছে।[১৫]










**ভাৰতবৰ্ষত, ২০১৬ চনত বিকল্প শিশু খাদ্যৰ বাবে নিৰ্গত গ্ৰীণ হাউচ গেচ ১০৭,৪৯০ টন কাৰ্বন-ডাই-অক্সাইডৰ সমতুল্য; তাৰে ১০,৯০০ টন বৃদ্ধিৰ বাবে প্ৰস্তুত কৰা বিকল্প গাখীৰ, ৪৭,০০০ টন স্বাভাৱিক হিচাবে ব্যৱহৃত গাখীৰৰ বিকল্প, ৪৭,৬২০ টন ছয়মাহৰ পিচৰ বিকল্প গাখীৰ আৰু ১৯৭০ টন বিশেষ কেচুৱাৰ বাবে প্ৰস্তুত কৰা বিশেষ গাখীৰ| ২০২১ চনৰ বাবে দাঙি ধৰা সমীক্ষাত এই পৰিমাণ ১২২,৮১০ টন হবগৈ; ইয়াৰে অধিকাংশ ছয় মাহৰ পিচৰ কেচুৱাৰ বাবে প্ৰস্তুত কৰা বিকল্প খাদ্যৰ পৰা হব|**

# স্তনপানৰ বিকল্প গাখীৰৰ পৰা পৰিবেশত হব পৰা বিপত্তি কমোৱা



কেচুৱাক স্তনপান কৰাবলৈ মাতৃগৰাকীক আৰু পৰিয়ালক সকলো পিনৰ পৰা সহায় আৰু উৎসাহ দি আৰু বিকল্প গাখীৰ ব্যৱহাৰ নকৰিবলৈ পৰামৰ্শ দি স্তনপানৰ বিকল্প গাখীৰৰ পৰা পৰিবেশত হব পৰা বিঘিনি কমোৱা সম্ভৱ। কেচুৱা আৰু দুবছৰলৈ শিশুক খুওৱাৰ ওপৰত থকা আচনি আৰু নিৰ্দেশাৱলী পুনৰ সবলীকৰণ আৰু ৰূপায়নত বিশ্বৰ সকলো দেশে, সকলো চৰকাৰ আৰু সংস্থাসমুহে কাম কৰি সেয়া সম্ভৱ কৰিব পাৰি। The World Breastfeeding Trends Initiative (WBTi) এ সময়ে সময়ে কৰা সমীক্ষাত এই দিশত চিন্তনীয় সুৰুঙা লক্ষ্য কৰিছে। (চিত্ৰ নং ৩)। স্তনপানৰ হাৰ বঢ়াবলৈ মাতৃসকলক পোনপটীয়াকৈ লগ ধৰি সহায় কৰা, দুগ্ধদাত্ৰী মাতৃক সুৰক্ষা প্ৰদান, সকলো সম্ভৱপৰ চেনেলেৰে বিকল্প গাখীৰৰ ব্যৱহাৰ আৰু বিপণন নিয়ন্ত্ৰণৰ প্ৰচাৰ কৰাটো। বিকল্প গাখীৰৰ বিক্ৰীৰ মাত্ৰা **ভাৰত** (এই সংক্ৰান্তীয় আইন বিশেষ ভাৱে থকা দেশ) আৰু **চীন** (এই সংক্ৰান্তীয় আইনৰ মাথো কেইটামান ধাৰাহে বলবৎ থকা দেশ) ৰ তুলনা কৰিলে স্পষ্ট হৈ পৰে। (চিত্ৰ নং ৪, ৫)।

**সমীক্ষা : ভাৰতবৰ্ষ (২০১৮)**

**স্তনপানৰ নীতি আৰু আচনি প্ৰয়োগৰ সূচ্যাঙ্ক (২০১৮)**

প্ৰতিটো ভাগত ১০ ৰ ভিতৰত সমীক্ষা




**মুঠ সূচ্যাঙ্ক : ৪৫/১০০**






# কৰিবলগীয়া কামৰ ৰূপৰেখা

## কেন্দ্ৰৰ আৰু ৰাজ্যৰ নীতি নিৰ্ধাৰণকাৰী/ আচনি ৰূপায়কসকলে কি কৰিব পাৰে ?

১। জন সজাগতা অনাৰ বাবে স্বাস্থ্যকৰ্মী আৰু ৰাইজৰ মাজত পৰিবেশৰ ওপৰত বিকল্প গাখীৰৰ পৰা হোৱা বিৰূপ প্ৰভাব তথা স্তনপানে পৰিবেশ নিস্কলুষ কৰি ৰখাত যোগোৱা বৰঙণি সন্দৰ্ভত ব্যাপক প্ৰচাৰ কৰা।

২। The World Breastfeeding Trends Initiative (WBTi) এ ২০১৮ চনৰ ৰিপ'ৰ্টত ভাৰতৰ, বিশেষকৈ চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডৰে চিকিৎসালয়ৰ ক্ষেত্ৰত আঙুলিওৱা সুৰুঙা থিনি আতৰোৱাৰ যত্ন কৰা।

## সামাজিক অনুষ্ঠান আৰু স্তনপানৰ বৃদ্ধিৰ লগত জড়িত সকলে কি কৰিব পাৰে ?

১। বিভিন্ন ৰাজ্যৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ লগত জড়িত বিভাগ সমূহৰ পৰা ৰাজ্যখনত বলবৎ হৈ থকা কেচুৱা আৰু দুবছৰলৈ শিশুৰ খাদ্য আচনি আৰু নীতিৰ বিষয়ে লিখিত ভাৱে তথ্য আহৰণ কৰি অবগত হোৱা।

২। নিজ নিজ অঞ্চলৰ স্তনপান সম্পৰ্কীয় সুৰুঙাথিনি স্থানীয় প্ৰচাৰ আৰু সামাজিক মাধ্যমৰ দ্বাৰা সকলোকে জনাই সচেতন কৰা।

৩। প্ৰত্যক্ষ অথবা পৰোক্ষ উপায়েৰে বিকল্প গাখীৰৰ প্ৰচাৰ, উপঢৌকন, সভা-সমিতি আয়োজনত ধন-বস্তুৰে সহায়, বিনামুলীয়া বিকল্প গাখীৰ বিতৰণ, সামাজিক মাধ্যমেৰে মাতৃসকলক লগ কৰা আদি বোৰৰ ওপৰত নজৰ ৰখা, কৰ্তৃপক্ষক জনোৱা আৰু নিজেও বাধা প্ৰদান কৰা।

৪। প্ৰসূতি সেৱা উপলব্ধ চিকিৎসালয় বোৰত মাতৃস্তনপান কৰোৱা, কেচুৱাক মাকৰ পৰা আতৰাই নৰখা, মৌজোল বা তেনে কোনো আহাৰ নিদিয়া, কেবল মাত্ৰ বুকুৰ গাখীৰ খুওৱাৰ প্ৰোৎসাহন, কেবল বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শ অনুযায়ীহে বিশেষ স্বাস্থ্যজনিত কাৰণত বিকল্প গাখীৰ খুওৱা আদিবোৰ চোৱা-চিতা কৰা আৰু ভুল নিয়ম পালন কৰিলে জনোৱা।

৫। সাংসদ/বিধায়কক স্তনপানৰ সুৰক্ষা আৰু সুচলতাৰ হকে কাম কৰাৰ বাবে লগ ধৰা।

৬।বিশ্ব স্তনপান সপ্তাহৰ কাম-কাজৰ বিষয়ে বিপিএনআই সচিবালয়ক জনোৱা।

## স্বাস্থ্য অনুষ্ঠান আৰু স্বাস্থ্য বিশেষজ্ঞসকলে কি কৰিব পাৰে ?

১। চিকিৎসালয়খনিত “সাৰ্থক স্তনপানৰ দহটি উপায়” পালন কৰে নে নাই নিৰিক্ষন কৰা। বি পি এন আই-বিশ্ব স্বাস্থ্য সংস্থা-ভাৰত চৰকাৰে প্ৰস্তুত কৰা চেক লিষ্টৰ সহায় লব পাৰে।

২। চিকিৎসালয়ত বিশ্ব স্বাস্থ্য সংস্থা ৰ পৰামৰ্শ অনুযায়ী চিকিৎসাকেন্দ্ৰিক কাৰণতো টেমাৰ গাখীৰ ব্যৱহাৰ যিমান পাৰি কমাই কৰা।

৩। গৰ্ভাৱস্থা, প্ৰসবকালীন আৰু প্ৰসবোত্তৰ সময় থিনিত মাক আৰু পৰিয়ালৰ মহিলা সকলক স্তনপানৰ প্ৰতি আগ্ৰহী কৰি তোলাত সহায় কৰা। ছুটী দিয়াৰ সময়ত আৰু পিছত পুনৰীক্ষণৰ বাবে অহা সময়তো স্তনপানৰ প্ৰতি সজাগ কৰা।



